জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

৩৩৮ সংখ্যা, ৩২ আহাৰ, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 338। DIBRUGARH, THURSDAY, JULY 17, 2025 । পৃষ্ঠা ১৬ (Pages


ৰত ১০০ শতাংশ

ভাবুকি নাটোৰ মু

ৰুছিয়াক শান্তি আলো

সৈমান কৰিবলৈ চীন, ব্ৰা

নতুন দিল্লী, ১৬ জুলাই ঃ 'নৰ্থ

অৰ্গেনাইজেচন' চমুকৈ 'নাটো'-এ

ব্ৰাজিলৰ ওপৰত এশ শতাংশ-শুল্ক

দিছে। এই ভাবুকি দি নাটোৰ

ভোটাৰ ত

কমিটীক স

গপ

দাস



## ছেইণ্ট পিটাৰ্ছবাৰ্গত সাহিত্য সভাৰ প্ৰতিনিধিক আদৰণি

### ব্ৰিক্‌ছ, চেম্বাৰ্ছ অব কমাৰ্চৰ প্ৰতিনিধিৰে আলোচনা

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৬ জুলাই ঃ** ৰুছিয়াৰ সাংস্কৃতিক ৰাজধানীৰূপে খ্যাত ছেইণ্ট পিটাৰ্ছবাৰ্গত অসমৰপৰা যোৱা এটা পৰ্যটক দলক উষ্ম আদৰণি জনোৱা হয়। লেনিন গ্ৰেড আঞ্চলিক চেম্বাৰ্ছ অব্ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিজৰ সভাকক্ষত কালি 'শিক্ষা, উন্নয়ন আৰু মানৱ মূলধন' শীৰ্ষক এক আলোচনাচক্ৰত এই দলটোক আদৰণি জনোৱা ১১ পৃষ্ঠাত চাওক

দৈনি

ডিব্ৰুগড়, বৃহস্পতি

## পথ অৱৰোধেৰে প্ৰতিবাদ ছাত্ৰ

### ডিব্ৰুগড় মহানগৰৰ বাট-পথৰ দু

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৬ জুলাই ঃ** জৰাজীৰ্ণ বাট-পথৰ দুৰৱস্থাই ভীষণ সমস্যাত
মহানগৰবাসীক। ওখোৰা-মোখোৰা পথ আৰু পথৰ মাজত সৃষ্টি হোৱা প্ৰকাণ্ড
ফলত দুৰ্ভোগ ভুগিছে মহানগৰবাসীয়ে। বিশেষকৈ ডিব্ৰুগড় মহানগৰৰ টি
দুৰৱস্থাই ৰাজ্য চৰকাৰৰ ফোঁপোলাস্বৰূপ উন্মোচিত কৰিছে। এই জৰাজীৰ্ণ পথটো
দুৰ্ঘটনা সংঘটিত হৈ আহিছে। কিন্তু ইয়াৰ পাছতো কোনোধৰণৰ গুৰুত্ব
কৰ্তৃপক্ষই। ইফালে, ইয়াৰ প্ৰতিবাদত আজি ডিব্ৰুগড় উত্তাল কৰি তোলে

জাতিৰ সেৱাত উৎসৰ্গিত (৬০) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

৩৮ সংখ্যা, ৩২ আহাৰ, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 338। DIBRUGARH, THURSDAY, JULY 17, 2025 । পৃষ্ঠা ১৬ (Pages

তিথি হিচাপে উপস্থিত থাকিব। মুকাল সভাত ম আৰু প্ৰাঞ্জল পূজাৰীক সন্মানিত কৰা হ'ব। ভাগৃহত অনুষ্ঠিত শিৱসাগৰ জিলা বাৰ্তাজীৱী ক জিলা অধিৱেশনৰ বাবে বিশদভাৱে আলোচনা জীৱী সংঘৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাতু কুমাৰ দাসে ব্যাখ্যা কৰে শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ য়।

## লোকক ৰাষ্ট্ৰহীন

মিতিৰ সম্পাদক ইছলামে কয় যে এই কামৰ ৰকাৰে উচ্ছেদিত সংখ্যালঘু মুছলমান লোকক ধিকাৰৰপৰা বঞ্চিত কৰি ৰাষ্ট্ৰহীন কৰাৰ চক্ৰান্ত ণ কৰি থকা সমষ্টিবোৰৰপৰা সংখ্যালঘু মুছলমান ৰ্বকভাৱে অন্য সংখ্যালঘুপ্ৰধান সমষ্টিলৈ স্থানান্তৰ য় দখল কৰাৰ পৰিকল্পনা কৰিছে। ডঃ হিমন্ত ই চক্ৰান্তৰ তীব্ৰ বিৰোধিতা কৰাৰ লগতে সকলো গঠন আৰু ৰাইজকো এই চক্ৰান্তৰ বিৰুদ্ধে হ্বান জনায় ৰাইজৰ দলৰ কেন্দ্ৰীয় সম্পাদকজনে।

## ৰাধেৰে প্ৰতিবাদ

ডিব্ৰুগড় মহানগৰৰ মাজমজিয়াৰ ৰাস্তা-ঘাটৰ কাম শেষ কৰি ৰাইজৰ চলাচলত অসুবিধাৰ ৰ দাবীত চিৰিং চাপৰিত ডিব্ৰুগড় ছাত্ৰ সন্থাই কৰে। ডিব্ৰুগড় ছাত্ৰ সন্থাৰ দুই শতাধিক নেতা-অংশগ্ৰহণ কৰি বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে কে ডিব্ৰুগড় পৌৰ নিগমৰ মহানগৰখনৰ উন্নয়নত প্ৰতিবাদ গঢ়ি তোলে ছাত্ৰ সন্থাই। প্ৰায় দুই ঘণ্টা কাৰ্যসূচীৰ ফলত টি আৰ ফুকন ৰোডতো ব্যাপক ত্ৰ সন্থাৰ সভাপতি তনুজ হালৈ আৰু সাধাৰণ প্ৰকাশ কৰি কয় যে ডিব্ৰুগড় পৌৰসভাক পৌৰ য়নৰ গতি আগবঢ়াই নিব লাগিছিল, সেই ক্ষেত্ৰত কৰে। আনহাতে, ১০ আগষ্টৰ ভিতৰত ডিব্ৰুগড় কৰিলে ছাত্ৰ সন্থাই জংগী আন্দোলনৰ কাৰ্যসূচী দিয়ে।

## ছেইণ্ট পিটাৰ্ছবাৰ্গত সাহিত্য সভাৰ

হয়। চেম্বাৰ্ছ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিজ অব এল অ', ডিপাৰ্টমেণ্ট অব্ ফৰেইন ইক'নমিক এক্টিভিটী এণ্ড ৰিজ'নৈল কো-অপাৰেচনৰ, উপ-সঞ্চালক এলেক্সী জিমিনে শুভাৰম্ভ কৰা আলোচনাত তেওঁ কয় যে এনে কাৰ্যসূচীয়ে অসমৰ লগতে ভাৰতবৰ্ষ আৰু ৰুছিয়াৰ মাজত থকা বন্ধুত্ব অধিক কটকটীয়া কৰিব। Director of Educational and Production Complex of the North-Western Open Technical University-ৰ তৰফৰপৰা ডেনিছ ডেভড'ভে কয় যে ভাৰতৰ বাবে ৰুছিয়াই বন্ধুত্বৰ চিন স্বৰূপে সকলো দিশতে পথ মুকলি ৰাখিছে। তেওঁ কয় যে বিভিন্ন দক্ষ, অভিজ্ঞ পৰামৰ্শদাতাৰ ৰূপত ভাৰতৰপৰা বছৰি প্ৰায় ৭০ হেজাৰ লোকৰ বাবে সংস্থাপনৰ বাট মুকলি কৰি ৰাখিছে। ইয়াৰে মাত্ৰ ১০ হেজাৰমান লোকৰ অভাৱ ইতিমধ্যে পূৰণ কৰিব পাৰিছে। ৰুছিয়াত ভাৰতৰ বাবে সংস্থাপনৰ বাট এতিয়াও মুকলি হৈ আছে বুলি তেওঁ কয়। আলোচনাত অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহবায়ক ডঃ শশীকান্ত শইকীয়া, কাৰ্যকৰী সভাপতি ডঃ যোগেন চন্দ্ৰ কলিতা, বিশিষ্ট সাহিত্যিক, কবি ডঃ বলেন্দ্ৰ কুমাৰ দাসে অংশগ্ৰহণ কৰে। এই প্ৰসংগত ডঃ বলেন্দ্ৰ কুমাৰ দাসে কয় যে অসমৰ যুৱক-যুৱতী, অৱসৰপ্ৰাপ্ত দক্ষ ব্যক্তিয়ে ৰুছিয়াৰ এনে কাৰ্যসূচীৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পাৰে। 'ব্ৰিকছ' মহাসংঘৰ, চেম্বাৰ্ছ অব্ কমাৰ্চৰ কেইবাখনো বিশ্ববিদ্যালয়, নতুন দিল্লীৰ 'দ্য কুৱেষ্ট' আৰু অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধনৰ উদ্যোগত অনুষ্ঠিত এই আলোচনাত 'দ্য কুৱেষ্ট'ৰ মুখ্য কাৰ্যবাহী বিষয়া তৰু বাহালে অংশগ্ৰহণকাৰী সকলোকে ধন্যবাদ জনায়। বৈঠকত অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধনৰ কাৰ্যকৰী সভাপতি ডঃ যোগেন চন্দ্ৰ কলিতাই কয় যে ভাৰতৰ অন্যতম বন্ধু দেশ ৰুছিয়াই ভাৰতৰ শিক্ষা, চিকিৎসা, ব্যৱসায়, পৰ্যটন, সাহিত্য উত্তৰণৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। ডঃ কলিতাই কয় যে অসমৰ ভাষা-সাহিত্য চৰ্চাৰ প্ৰসংগ উল্লেখ কৰিলে ৰুছিয়াৰ প্ৰথিতযশা সাহিত্যিকসকলক আঁতৰাই ৰাখিব নোৱাৰি। এই প্ৰসংগত তেওঁ লিও টলষ্টয়, ডষ্টয়েভস্কিৰ সাহিত্যৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে তেওঁলোকৰ সাহিত্যই অসমীয়া সাহিত্যিকসকলক বহু ক্ষেত্ৰত উৎসাহিত আৰু অনুপ্ৰাণিত কৰে। এই প্ৰসংগত তেওঁ কয় যে অতীজৰপৰা বৰ্তমানলৈকে ভাৰত আৰু ৰুছিয়াৰ মাজত এক ঐতিহাসিক সম্পৰ্ক আছে। অসমৰ যুৱক-যুৱতীসকলে ৰাছিয়ান ভাষা-সাহিত্য চৰ্চাৰ মাজেদি সংস্থাপনৰ বাট মোকলাব পাৰে। এই ক্ষেত্ৰত ৰুছিয়াই লোৱা পদক্ষেপৰ তেওঁ প্ৰশংসা কৰে। ডঃ কলিতাই ৰুছ সাহিত্য আৰু অসমীয়া সাহিত্যৰ মাজত সম্পৰ্ক অধিক কটকটীয়া কৰিবলৈ সকলোকে আহ্বান জনায়। এনে সম্পৰ্কই দুয়োখন দেশৰ মাজত মৈত্ৰীবন্ধন শক্তিশালী কৰিব বুলিও তেওঁ কয়। আলোচনাত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ হৰি শংকৰ কাকতি, বি কে বি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ ভূপেন শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ অমলেশ দত্ত, সন্দিকৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা লেখা দত্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা কৰবী গোস্বামী, লেখক শিৱানন্দ কাকতি, বিশিষ্ট চিকিৎসক গৌতম গোস্বামী, লেখক মাধৱজ্যোতি দেউৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ধীৰেন্দ্ৰ কুমাৰ শৰ্মা, অপৰাজিতা বৰকটকী, অঞ্জলি বৰঠাকুৰ, ভদ্ৰা ফুকনকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। আলোচনাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় 'ব্ৰিকছ'ৰ প্ৰতিনিধিয়ে।

ষীক হাৰাশাস্তিৰ অ

## ংগ্ৰেছৰ বৃহ



ন্ত বিশ্ব শৰ্মা ঃ ৰাহু

গেচৰ